**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-07-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***

১। সংসদৰ উভয় সদনত কালি ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক লৈ আলোচনা হয়।
২। ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমিয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে।
৩। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত আৰু ব্ৰিটেইনৰ দ্বিপাক্ষিক সম্পৰ্কক অতি গুৰুত্বপূৰ্ণ আখ্যা দিছে।
৪। ভাৰতে পেৰিছ্ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে আজি প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব। *আৰু*
৫। শ্ৰীলংকাই কালি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত থাইলেণ্ডক ১০ উইকেটত পৰাস্ত কৰে।

ooooo

লোকসভাত কালি ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক লৈ আলোচনা হয়। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ কুমাৰী চেলজাই কৰ্মসংস্থাপনহীনতাৰ বিষয় উল্লেখ কৰে। সাংসদগৰাকীয়ে কয় যে,  দিনক দিনে দেশত এই সমস্যা বৃদ্ধি পাইছে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ বিভাগসমূহত খালী হৈ থকা পদসমূহ পূৰণৰ বাবে চৰকাৰে কিয় ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। কংগ্ৰেছ্ নেতৃগৰাকীয়ে অগ্নীবীৰ আঁচনিখনক লৈ চৰকাৰক সমালোচনা কৰে আৰু আঁচনিখন প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। চৰকাৰে বাজেটত খেতিয়ক আৰু শ্ৰমিকসকলক আওকান কৰা বুলি তেওঁ অভিযোগ তোলে। সাংসদগৰাকীয়ে কয় যে, চৰকাৰে ন্যূনতম সমৰ্থনমূল্য সন্দৰ্ভত  খেতিয়কসকলক আইনী নিশ্চয়তা প্ৰদান কৰা উচিত আৰু শ্ৰমিকসকলৰ বাবে কমেও ৪ শ টকাৰ দৈনিক মজুৰী ধাৰ্য কৰিব লাগে।

আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ বিপ্লৱ কুমাৰ দেৱে কয় যে, ২০১৪ চনত বিজেপি চৰকাৰ ক্ষমতালৈ অহাৰ সময়ত ভাৰত  অৰ্থনৈতিকভাৱে দুৰ্বল বিশ্বৰ ৫ খন দেশৰ ভিতৰত আছিল। তেওঁ কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে অৰ্থনৈতিক ব্যৱস্থা স্বচ্চ কৰি তুলিছে।  শ্ৰী দেৱে কয় যে, অৰ্থনৈতিক সমীক্ষাত ২০২৪ -২৫ বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ  বিকাশৰ হাৰ ৬ দশমিক ৫ শতাংশৰ পৰা ৭ শতাংশৰ ভিতৰত থাকিব বুলি অনুমান কৰা হৈছে। তেওঁ ২০২৪-২৫ বৰ্ষৰ বাজেটখনক দেশৰ আৱশ্যকতা কেন্দ্ৰিক বুলি অভিহিত কৰে। সাংসদগৰাকীয়ে কয় যে, ২০২৩-২৪ বৰ্ষৰ তুলনাত এইবাৰ বাজেটত  ১৮ শতাংশ অধিক মূলধনী ব্যয়ৰ প্ৰস্তাৱ দিয়া হৈছে আৰু ইয়াৰ পৰা বাজেটত যে আন্তগাঠনি তথা কৰ্মসংস্থাপনত অধিক গুৰুত্ব আৰোপ কৰা হৈছে সেয়া স্পষ্ট হৈ পৰিছে। নৰেন্দ্ৰ মোদী চৰকাৰে বিত্তীয় আৰু সামাজিক খণ্ডত লোৱা বিভিন্ন পদক্ষেপৰ কথা সাংসদগৰাকীয়ে উল্লেখ কৰে। সমাজবাদী পাৰ্টীৰ বীৰেন্দ্ৰ সিঙে আলোচনাত

ভাগ লৈ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বাজেটত উত্তৰপ্ৰদেশক আওকান কৰা বুলিও অভিযোগ তোলে। তেওঁ ইয়াক যুক্তৰাষ্ট্ৰীয় গাঠনিৰ ওপৰত হোৱা আক্ৰমন বুলি আখ্যা দিয়ে।

আলোচনাত অংশ লৈ তৃণমূল কংগ্ৰেছৰ সাংসদ অভিষেক বেনাৰ্জীয়ে কৰ্মসংস্থাপন, বিমুদ্ৰাকৰণ আৰু বিৰোধী নেতাসকলৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয় লৈ চৰকাৰক তীব্ৰ সমালোচনা কৰে। কেন্দ্ৰীয় চৰকাৰ নিজৰ প্ৰতিশ্ৰুতি আৰু নিশ্চয়তা পূৰণত ব্যৰ্থ হোৱা বুলি তেওঁ অভিযোগ তোলে। সাংসদগৰাকীয়ে নীটৰ বিষয় লৈও চৰকাৰক আক্ৰমনৰ লক্ষ্য কৰি লয়। অলপতে হোৱা ৰেল দুৰ্ঘটনাৰ কথা উল্লেখ কৰি শ্ৰীবেনাৰ্জীয়ে কয় যে বাজেটত ৰেল সুৰক্ষাৰ বিষয়ে একো উল্লেখ কৰা হোৱা নাই। তেওঁ লগতে এইবাৰৰ বাজেটখন দুখীয়াৰ পৰিপন্থী বুলি অভিযোগ তোলে।

ডি এম কেৰ দয়ানিধি মাৰানে বাজেটত তামিলনাডুক অবহেলা কৰা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে মূল্যবৃদ্ধিৰ বাবে দেশৰ জনসাধাৰণ জিয়াতু ভূগিবলগীয়া হৈছে বুলি মন্তব্য কৰে। তেওঁ লগতে অপ্ৰত্যাশিত কৰ সন্দৰ্ভত শ্বেতপত্ৰ প্ৰকাশ কৰিবলৈ দাবী জনায়। টি ডি পিৰ শ্ৰীব্ৰত মথুকুমিলিয়ে এইবাৰৰ বাজেটক ভৱিষ্যদৰ্শী আৰু বিকশিত ভাৰতৰ প্ৰতি চৰকাৰৰ অটুট প্ৰতিশ্ৰুতিবদ্ধতাৰ নিদৰ্শন বুলি অভিহিতি কৰে। তেওঁ  লগতে নগৰ আৰু চহৰ অঞ্চলত ১ কোটি বাসগৃহ নিৰ্মাণৰ বাবে বাজেটত সমৰ্থন আগবঢ়োৱা আৰু প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনা লেখিয়া জনকল্যাণমূলক আঁচনিসমূহৰ বাবে চৰকাৰক ভূয়সী প্ৰশংসা কৰে।

জে ডি ইউৰ দিনেশ চন্দ্ৰ যাদৱে বিহাৰৰ ছহৰছাত বিমান বন্দৰ আৰু এইমছ্‌ স্থাপন কৰিবলৈ দাবী জনায়। তেওঁ লগতে কয় যে চৰকাৰে সাংসদসকলৰ দৰমহা আৰু ভাট্টা বৃদ্ধি কৰাৰ কথা বিবেচনা কৰা উচিত, কিয়নো তেওঁলোকেও সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

আলোচনাত অংশ লৈ এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলেই জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। তেওঁ বিনিয়োগ, ব্যৱহাৰ, ৰপ্তানি আৰু বিত্তীয় ব্যয়ক শক্তিশালী অৰ্থব্যৱস্থাৰ চাৰি প্ৰকাৰৰ চালিকা শক্তি বুলি অভিহিত কৰে। সাংসদগৰাকীয়ে কয় যে বিনিয়োগ আকৰ্ষণ কৰাৰ বাবে কৰ্পোৰেট কৰ হ্ৰাস কৰা হৈছে যদিও চৰকাৰৰ পৰিসংখ্যাৰ পৰা ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হোৱা নাই। কংগ্ৰেছ সাংসদ শশী থাৰুৰে আলোচনাত ভাগ লৈ এইবুলি অভিযোগ কৰে যে চৰকাৰৰ অগ্ৰাধিকাৰ দুখন ৰাজ্যত মিত্ৰদলসমূহৰ তুষ্টিকৰণৰ আশে-পাশে থকা পৰিলক্ষিত হৈছে। তেওঁ এইবাৰৰ বাজেটখনক নিৰাশাজনক বুলি অভিহিত কৰে। চৰকাৰে দেশৰ জনসাধাৰণক নিৰাশ কৰা বুলিও সাংসদগৰাকীয়ে মন্তব্য কৰে। লোকসভাত বাজেট সম্পৰ্কীয় আলোচনা কালি অমিমাংসীত হৈ ৰয়।

ৰাজ্যসভাতো কালি বাজেটক লৈ আলোচনা হয়। উচ্চ সদনত আলোচনা আৰম্ভ কৰি কংগ্ৰেছ সাংসদ পি চিদাম্বৰমে কৰ্মসংস্থাপনহীনতা আৰু মুদ্ৰাস্ফীতিৰ বিষয় উত্থাপন কৰে। তেওঁ লগতে অগ্নিপথ আঁচনি আৰু নীট পৰীক্ষা বাতিল কৰিবলৈ দাবী জনায়।

আলোচনাত ভাগ লৈ বিজেপিৰ ড০ ৰাধন মোহন দাস আগৰৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১০ বছৰত বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যত আলোকপাত কৰে। তেওঁ কয় যে, চৰকাৰে আৰম্ভ কৰা জন ধন যোজনাই দেশৰ কোটি কোটি লোকলৈ বেংকিঙ সেৱা আগবঢ়াইছে। গ্ৰামাঞ্চলৰ ১৪ কোটিৰো অধিক পৰিয়াললৈ নলযোগে খোৱাপানী যোগান ধৰা হৈছে বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে।

আলোচনাত ভাগ লৈ অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই এইবাৰৰ বাজেটখনক কৃষকৰ বাবে অনুকূল আৰু নিয়োগমুখী বুলি অভিহিত কৰে। তেওঁ কয় যে বাজেটত কৃষি, সেৱা উদ্যোগ আৰু নিৰ্মাণ

খণ্ডত সমানেই গুৰুত্ব আৰোপ কৰা হৈছে। টি এম চিৰ সাগৰিকা ঘোষে অসমানতা সমস্যা দূৰ কৰাৰ বাবে বাজেটত একো উল্লেখ কৰা হোৱা নাই বুলি মন্তব্য কৰে। সদস্যসকলে আলোচনাকালত ৰাইজৰ বাবে আন কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় উল্লেখ কৰে। তাৰ পাছতে ৰাজ্যসভাৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলিম্পিক অৰ্ডাৰ সন্মান লাভ কৰা অভিনৱ বিন্দ্ৰাক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে এই সন্মানে প্ৰতিগৰাকী ভাৰতীয়ক গৌৰৱান্বিত কৰি তুলিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে এগৰাকী খেলুৱৈ হিচাপেই হওক বা যুৱ ক্ৰীড়াবিদসকলৰ গুৰু হিচাপেই হওক, তেওঁ ক্ৰীড়া আৰু অলিম্পিক আন্দোলনলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছে।

০০০০০

ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমিয়ে কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে উভয় দেশৰ সৰ্বাত্মক কৌশলগত সহযোগিতা ত্বৰান্বিত কৰাৰ উদ্দেশ্যে তেওঁ ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰ্মাৰৰ অগ্ৰাধিকাৰসমূহৰ শলাগ লয়। তেওঁ কয় যে ভাৰত এই বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ দ্বিপাক্ষিক প্ৰযুক্তি সুৰক্ষা উদ্যম আৰু পৰস্পৰৰ বাবে লাভজনক মুক্ত বাণিজ্য চুক্তি সম্পাদনৰ আগ্ৰহৰ প্ৰতি আদৰণি জনায়।

০০০০০

ভাৰতে পেৰিছ অলিম্পিকৰ আনুষ্ঠানিক উদ্বোধনী অনুষ্ঠানৰ এদিন পূৰ্বে আজি নিজৰ অভিযান আৰম্ভ কৰিব। ভাৰতৰ দিপীকা কুমাৰী, অংকিতা ভকত, ভজন কৌৰ, বি ধীৰাজ, তৰুণদ্বীপ ৰায় আৰু প্ৰবীণ যাদৱে আৰ্চাৰীৰ ব্যক্তিগত ৰেংকিং ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আৰ্চাৰীৰ পৰৱৰ্তী পৰ্যায়ৰ খেলসমূহ অহা ২৮ জুলাইৰ পৰা ৪ আগষ্টলৈ  খেলোৱা হ'ব। মহিলাৰ ৰেংকিং ৰাউণ্ডৰ খেলসমূহ ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত আৰু পুৰুষ ৰেংকিং  ৰাউণ্ডৰ খেলসমূহ বিয়লি ৫ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব।

০০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে ভাৰত আৰু ব্ৰিটেইনৰ দ্বিপাক্ষিক সম্পৰ্ক অতি গুৰুত্বপূৰ্ণ। দিল্লীত কালি ব্ৰিটেইনৰ বিদেশ সচিব ডেভিদ লেমীৰ সৈতে হোৱা বৈঠকত ড০ জয়শংকৰে আন্তঃৰাষ্ট্ৰীয় মঞ্চত উভয় দেশৰ শক্তিশালী স্থিতিত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে ভাৰত আৰু ব্ৰিটেইনে আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহত গোলকীয় পৰ্য্যায়ত একেলগে কাম কৰাৰ প্ৰয়োজন।

০০০০০

আয়োজক দেশ শ্ৰীলংকাই কালি ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত থাইলেণ্ডক ১০ উইকেটত পৰাস্ত কৰে। খেলখনত থাইলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ৯৩

ৰাণ কৰে। থাইলেণ্ডৰ হৈ নন্নাপট কোনচৰোএনকাইয়ে ৫৩টা বলত ৪৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। শ্ৰীলংকাৰ কৱিছা দিলহাৰীয়ে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১১ অভাৰ আৰু তিনিটা বলত এটাও উইকেট নেহেৰুৱাকৈ ৯৪ ৰাণ কৰে। শ্ৰীলংকাৰ হৈ ছমাৰি উথাপশ্বুই ৪৫ আৰু ৰিশ্মি গুণৰত্নেই ৩৯ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ভাৰত শুকুৰবাৰে হবলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে একেদিনাই হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকা আৰু পাকিস্তান মুখামুখি হ'ব।

ooooo

**ঃঃ সমাপ্ত ঃঃ**